জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ৪৪/২০২১**

**অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিৰ প্ৰতিনিধি দলৰ সৈতে মুখ্যমন্ত্ৰীৰ বৈঠক**

# চাহ জনগোষ্ঠীৰ সমস্যাৰাজি সমাধানৰ আশ্বাস প্ৰদান কৰিলে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ২২ মে’ ঃ** অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিৰ এটা প্ৰতিনিধি দলৰ সৈতে আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এক বৈঠকত মিলিত হয়। জনতা ভৱনস্থিত মুখ্যমন্ত্ৰীৰ সভাকক্ষত অনুষ্ঠিত এই বৈঠকত চাহ জনজাতি ছাত্ৰ সন্থাৰ প্ৰতিনিধি দলটোৱে তেওঁলোকৰ বিভিন্ন সমস্যা সন্দৰ্ভত মুখ্যমন্ত্ৰীক অৱগত কৰে।

বৈঠকত চাহ বাগিচাৰ সাম্প্ৰতিক ক’ভিড পৰিস্থিতি সম্পৰ্কত বিতংভাৱে আলোচনা কৰা হয়। মুখ্যমন্ত্ৰী ড° শৰ্মাই এই সম্পৰ্কত কয় যে চাহ বাগিচাসমূহত ক’ভিড পৰীক্ষা বৃদ্ধি তথা টীকাকৰণৰ প্ৰক্ৰিয়া দ্ৰুততৰ কৰাৰ দিশত ৰাজ্য চৰকাৰৰ স্বাস্থ্য বিভাগে দ্ৰুত পদক্ষেপ গ্ৰহণ কৰিব। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে ক’ভিডৰ ফলশ্ৰুতিত ঘোষণা কৰা কণ্টেইনমেণ্ট জ’নত বসবাস কৰা দুখীয়া লোকসকলৰ বাবে ৰাজ্য চৰকাৰে ইতিমধ্যে সকাহ প্ৰদানৰ পদক্ষেপ লৈছে আৰু জিলা উপায়ুক্তসমূহক এই সম্পৰ্কে ব্যৱস্থা লোৱাৰ বাবে নিৰ্দেশনা দিয়া হৈছে। আজিৰ এই বৈঠকতে চাহ শ্ৰমিকৰ মজুৰি বৃদ্ধিৰ বিষয়টোও আলোচনা কৰা হয়। চাহ বাগিচাৰ শৈক্ষিক দিশত থকা সমস্যাৰাজি সমাধান কৰাৰ বাবে ৰাজ্য চৰকাৰে যথোচিত পদক্ষেপ গ্ৰহণ কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। বৈঠকত চাহ জনগোষ্ঠীৰ শিক্ষাৰ্থীৰ বাবে চিকিৎসা মহাবিদ্যালয়সমূহত আসন সংৰক্ষণৰ বিষয়টোও আলোচনা কৰা হয়।

আজিৰ এই বৈঠকত চাহ জনজাতি কল্যাণ বিভাগৰ মন্ত্ৰী সঞ্জয় কিষাণ, অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ সভাপতি ধীৰাজ গোৱালা, ভাৰপ্ৰাপ্ত সম্পাদক অনন্ত সোনাকে ধৰি অন্যান্য সদস্যসকল উপস্থিত থাকে।

আনহাতে, অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় প্ৰতিনিধি দলটোৱে আজি মুখ্যমন্ত্ৰী ড° শৰ্মাৰ হাতত এখন ৫০ হাজাৰ টকাৰ বৰঙনিৰ চেক মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজি বাবে প্ৰদান কৰে।

**পুঃডেঃ**
**২২/০৫/২০২১**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in